জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৪২/২০২২

**‘অসম মিলেট অভিযান’ৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই**

## ভূমি পৰীক্ষণ তথা মান নিয়ন্ত্ৰণ পৰীক্ষাগাৰ আৰু জ্ঞান কেন্দ্ৰৰ শুভ উদ্বোধন

## কৃষি সঁজুলি, বীজ আৰু আৰ্থিক সাহায্য বিতৰণ

## মিলেট অভিযানে পুষ্টিকৰ খাদ্য উৎপাদন, কৃষকৰ আয় আৰু শস্যৰ বৈচিত্ৰতা বৃদ্ধি কৰাত সহায় কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ নৱেম্বৰ** ঃ সমগ্ৰ ৰাজ্যতে মিলেট কৃষি সম্প্ৰসাৰণ আৰু বৃদ্ধিৰ লক্ষ্যৰে আজি খানাপাৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ‘অসম মিলেট অভিযান’ৰ শুভাৰম্ভ কৰে।

মিলেট অভিযানৰ আৰম্ভ কৰাৰ সমান্তৰালকৈ একেটা কাৰ্যসূচীতে মুখ্যমন্ত্ৰী ড° শৰ্মাই বঙাইগাঁও, মৰিগাঁও, ওদালগুৰি, গোলাঘাট, কৰিমগঞ্জ আৰু দৰং জিলাত ৬টা ভূমি পৰীক্ষণ আৰু মান নিয়ন্ত্ৰণ পৰীক্ষাগাৰৰ লগতে ধেমাজি আৰু তিতাবৰত দুটা জ্ঞান কেন্দ্ৰৰ ভাৰ্চুৱেলি উদ্বোধন কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° শৰ্মাই ১২৬টা কম্বাইণ্ড হাৰ্ভেষ্টাৰ, ১০০০খন মিনি ট্ৰাক, ৪৫০টা গাঁও পৰ্যায়ৰ ফাৰ্ম মেচিনেৰী বেংক, ১২ হাজাৰটা সৌৰ পিভি পাম্প ছেট, ৮৫০০ টা এইছ্ পি ডিজেল পাম্প ছেট, ৫০৯১খন পাৱাৰ টিলাৰ, ২২৩৯৬৩ কুইণ্টল বীজ, ১৪৬১ টা বহুমুখী পালভাৰাইজাৰৰ বিতৰণৰ প্ৰক্ৰিয়াও শুভাৰম্ভ কৰে।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰ দিনটো ৰাজ্যৰ কৃষক সমাজৰ বাবে এক ঐতিহাসিক দিন। পুষ্টিকৰ খাদ্যৰ বিবিধতা বৃদ্ধি আৰু কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে অসম মিলেট অভিযানৰ শুভাৰম্ভ হোৱা আজিৰ এই দিনটোৱে এক বিশেষ দিন হিচাপে তাৎপৰ্য বহন কৰিছে। এই অভিযানে শস্যৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে শস্যৰ বৈচিত্ৰতাতো অৰিহণা যোগাব।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ আত্মনিৰ্ভৰতা (স্বাৱলম্বিতা)ৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি এই অভিযান আৰম্ভ কৰা হৈছে। মিলেট অভিযান আৰম্ভ হোৱাৰ লগে লগে অসমৰ কৃষকসকলে তেওঁলোকৰ শস্য পদ্ধতিৰ বৈচিত্ৰতা আনিব পাৰিব আৰু গতানুগতিক শস্যৰ বাহিৰেও মিলেট কৃষিৰ জৰিয়তে তেওঁলোকে কৃষি উন্নয়ন সাধন কৰিব পাৰিব। ২৫ হাজাৰ হেক্টৰ কৃষি ভূমিত মিলেট অভিযান আৰম্ভ কৰাৰ উদ্যোগ লোৱাৰ বাবে তেওঁ কৃষি বিভাগক অভিনন্দন জনায়। পৰৱৰ্তী সময়ত ইয়াক ৰাজ্যৰ ৫০ হাজাৰ হেক্টৰ কৃষি ভূমিলৈ সম্প্ৰসাৰিত কৰা হ’ব। তেওঁ লগতে কয় যে আজি উদ্বোধন হোৱা জ্ঞান কেন্দ্ৰসমূহে ৰাজ্যৰ কৃষকসকলক মিলেট কৃষিৰ বিষয়ে জ্ঞান আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে অৱগত হোৱাত সহায় কৰিব। তেওঁ জনায় যে অনাগত দিনত কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (আৰ আই ডি এফ)ৰ অধীনত সমগ্ৰ ৰাজ্যতে আৰু ৯৬টা জ্ঞান কেন্দ্ৰ স্থাপন কৰা হ’ব।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা


কৃষক সমাজৰ কল্যাণৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কৃষকসকলক মিছন বসুন্ধৰা ২.০ ৰ সুবিধাৰ জৰিয়তে তেওঁলোকৰ ভূমিক ম্যাদি পট্টা ভূমিলৈ ৰূপান্তৰিক কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে অহা বছৰৰ পৰা ৰাজ্য চৰকাৰে ধান ক্ৰয়ৰ বাবে ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২০৪০ টকা নিৰ্দ্ধাৰণ কৰিছে। তেওঁ কৃষকসকলক তেওঁলোকৰ ধান চৰকাৰক বিক্ৰী কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে এই ৰাজ সাহায্যৰ জৰিয়তে চৰকাৰে স্থানীয় যুৱকসকলক ধান বনা কল আৰু অন্যান্য কৃষি আন্তঃগাঁথনি স্থাপন কৰাত সহায় আগবঢ়াইছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বাণিজ্যিক লাভালাভৰ লগতে ভূমিৰ সীমা নিৰ্দ্ধাৰণ হিচাপে চিহ্নিত কৰিবলৈ কৃষকসকলক তেওঁলোকৰ কৃষি ভূমিৰ চাৰিওফালে বিভিন্ন ধৰণৰ গছ যেনে- শাল, অগৰ আদি ৰোপণ কৰিবলৈ কয়। তেওঁ কৃষকসকলক কলগছৰ খেতিৰ ক্ষেত্ৰতো বৈচিত্ৰতা আনিবলৈ আহ্বান জনায়। তদুপৰি, নেমু, ভোট জলকীয়া, জহা ধানৰ বিপুল চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ কৃষকসকলক এই শস্যসমূহৰ খেতি প্ৰচুৰ পৰিমাণে কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। তেওঁ কৃষকসকলৰ কৃষি পদ্ধতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত বিবেচনাপূৰ্ণ হোৱাৰ লগতে ৰাজ্যত নতুন কৃষি বিপ্লৱ আৰম্ভ কৰাত সহায় আগবঢ়াবলৈ আহ্বান জনায়। গাখীৰ, হাঁহ, মাছ, কণী আদিৰ ক্ষেত্ৰত অসমক স্বাৱলম্বী কৰি গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই খণ্ডসমূহক উজ্জীৱিত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোকপাত কৰে।

অনুষ্ঠানত মন্ত্ৰী অতুল বৰাই ভাষণ প্ৰদান কৰি কৃষি উন্নয়নৰ বাবে তেওঁৰ বিভাগৰ আঁচনিসমূহৰ এক চমু ৰূপৰেখা দাঙি ধৰে। কৃষকসকলৰ কল্যাণ আৰু কৃষি উৎপাদন বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰাত কৃষি বিভাগক সহায় আগবঢ়োৱাৰ বাবে তেওঁ মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

কৃষি বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব আশীষ ভূটানীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, চাহ জনজাতি কল্যাণ আদি বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, দিছপুৰৰ বিধায়ক অতুল বৰা, অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ অধ্যক্ষ মনোজ বৰুৱা প্ৰমুখ্যে প্ৰগতিশীল কৃষক আৰু গণ্য-মান্য লোকসকল উপস্থিত থাকে।

**সুঃদঃ / হেঃশঃ**
**১৬/১১/২০২২**